# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 28-12-2024
**Time :** 18-45 Hrs.

**Assamese Evening Bulletin**
**::::::::::::::::::::::::::::::::::::::**

প্ৰাক্তন প্ৰধানমন্ত্ৰী ড° মনমোহন সিঙৰ শেষকৃত্য আজি সম্পূৰ্ণ ৰাষ্ট্ৰীয় মৰ্যাদাৰে দিল্লীৰ নিগমবোধ ঘাটত সম্পন্ন হয়। শেষকৃত্যৰ পূৰ্বে শিখ পুৰোহিত আৰু প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীৰ পৰিয়ালৰ লোকে গুৰুবাণী পাঠ কৰে। তিনিওটা বাহিনীৰ সন্মিলিত গাৰ্ড অব্ অনাৰেৰে প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীৰ নশ্বৰ দেহৰ প্ৰতি সন্মান প্ৰদৰ্শনৰ পাছত ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মু, উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং, গৃহমন্ত্ৰী অমিত শ্বাহ, স্বাস্থ্য মন্ত্ৰী জগত প্ৰকাশ নাড্ডা আৰু লোকসভাৰ অধ্যক্ষ ওম বিৰলাই ড° সিঙৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গে, জ্যেষ্ঠ কংগ্ৰেছ নেত্ৰী ছোনিয়া গান্ধী, ৰাহুল গান্ধী আৰু অন্যান্য নেতাসকলেও প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীৰ নশ্বৰ দেহত পুষ্পাঞ্জলি অৰ্পন কৰে। ড° মনমোহন সিঙৰ অন্তিম বিদায় অনুষ্ঠানত উপস্থিত থাকি নেতাগৰাকীৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনোৱাসকলৰ ভিতৰত অন্যতম আছিল ভূটানৰ ৰজা জিগমে খেচাৰ নামগিয়াল ৱাংচুক। স্থল সেনাধ্যক্ষ জেনেৰেল উপেন্দ্ৰ দ্বিবেদী, নৌ সেনাধ্যক্ষ এডমিৰেল দীনেশ কে ত্ৰিপাঠী, বায়ু সেনাধ্যক্ষ এয়াৰ চীফ মাৰ্শ্বেল অমৰপ্ৰীত সিং আৰু মৰিচাচৰ বিদেশ মন্ত্ৰী ধনঞ্জয় ৰামফুলেও প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীলৈ শ্ৰদ্ধা নিবেদন কৰে।

ইয়াৰ আগতে ড° মনমোহন সিঙৰ নশ্বৰ দেহ পুষ্পসজ্জিত বাহনেৰে শোভাযাত্ৰা কৰি মতিলাল নেহৰু মাৰ্গৰ বাসভৱনৰ পৰা আকবৰ ৰোডত থকা কংগ্ৰেছৰ মুখ্য কাৰ্যালয়লৈ নিয়া হয়।

আমাৰ আগৰ বাতৰিতেই কোৱা হৈছে যে কেন্দ্ৰীয় মন্ত্ৰীসভাই প্ৰয়াত প্ৰধানমন্ত্ৰী ড° মনমোহন সিঙৰ সমাধি নিৰ্মাণৰ বাবে দিল্লীৰ এডোখৰ সুবিধাজনক স্থানত ভূমি আৱণ্টনত অনুমোদন জনাইছে।

০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি খাদ্য আৰু অসামৰিক যোগান বিভাগৰ উদ্যোগত নতুন ৰেচন কাৰ্ড বিতৰণ কৰা হয়। ওদালগুৰি জিলাৰ ভেৰগাঁও বিধানসভা সমষ্টিৰ এহেজাৰ ৭৩৯ টা পৰিয়ালৰ মাজত ৰেচন কাৰ্ড বিতৰণ কাৰ্যসূচীত অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী মুখ্য অতিথি হিচাপে উপস্থিত থাকি এই প্ৰক্ৰিয়া আনুষ্ঠানিকভাৱে আৰম্ভ কৰে। অনুষ্ঠানত দিয়া ভাষণত অধ্যক্ষ দৈমাৰীয়ে কয়, যে চৰকাৰে গ্ৰহণ কৰা সকলো আঁচনিৰ বাবে ৰেচন কাৰ্ডক মূল প্ৰমাণপত্ৰ হিচাপে বিবেচনা কৰা হ'ব।

নলবাৰীত আয়োজিত এটা অনুষ্ঠানত গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই নতুন ৰেচন কাৰ্ড আৰু ই-ৰিক্সা বিতৰণ কৰে।

**বাইট**

ধুবুৰীত জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত নতুন ৰেচন কাৰ্ড বিতৰণৰ তৃতীয় পৰ্যায়ৰ কাৰ্যসূচী আজি অনুষ্ঠিত হয়। ৰাজ্য চৰকাৰে খাদ্য সুৰক্ষা আইনৰ অধীনত ২০২৩-২৪ বৰ্ষত নতুনকৈ ৪২ লাখ ৮৫ হাজাৰ ৭৪৫ জন নতুন হিতাধিকাৰীক অন্তৰ্ভুক্ত কৰাৰ ফলত জিলাখনত সৰ্বমুঠ উপকৃত পৰিয়ালৰ সংখ্যা ২৪ হাজাৰ ৭৪৬লৈ বৃদ্ধি পাইছে। কলিয়াবৰত নতুনকৈ ৩ হাজাৰ ২৩৮ টা পৰিয়ালৰ মাজত আজি ৰেচন কাৰ্ড বিতৰণ কৰা হয়। এই উপলক্ষে আয়োজিত অনুষ্ঠানত মুখ্য অতিথি হিচাপে মন্ত্ৰী কেশৱ মহন্ত উপস্থিত থাকে।

বৰপেটা জিলাৰো চাৰিটা বিধানসভা সমষ্টিত নতুনকৈ আৱণ্টিত ৰেচন কাৰ্ডসমূহ বিতৰণ কৰা হয়। বৰপেটাত এই উপলক্ষে আয়োজিত অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকি মন্ত্ৰী নন্দিতা গাৰ্লোছাই ৩ হাজাৰ ৩৬১ গৰাকী হিতাধিকাৰীক নতুনকৈ ৰেচন কাৰ্ড বিতৰণ কৰে। তেওঁ এই কাৰ্ডৰ জৰিয়তে দুখীয়া পৰিয়ালটোৱে কি কি সুবিধা লাভ কৰিব সেই সম্পৰ্কে বাখ্যা কৰে। মৰিগাঁৱৰ ভূৰবন্ধা ৰাস মন্দিৰ পৰিসৰত অনুষ্ঠিত ৰেচন কাৰ্ড বিতৰণ কাৰ্যসূচীত সমষ্টিটোৰ বিধায়ক ৰমাকান্ত দেউৰী মুখ্য অতিথি হিচাপে উপস্থিত থাকে। আজিৰ কাৰ্যসূচীত মৰিগাঁও সমষ্টিৰ মুঠ ১৪ হাজাৰ ৩২৪ গৰাকী হিতাধিকাৰীক ৰেচন কাৰ্ড প্ৰদান কৰা হয়। দৰং জিলাৰ মঙলদৈ বিধানসভা সমষ্টিত নতুনকৈ বাছনিপ্ৰাপ্ত হিতাধিকাৰীসকলৰ মাজত ৰেচন কাৰ্ড বিতৰণ কাৰ্যসূচীত মঙলদৈৰ বিধায়ক বসন্ত দাস, প্ৰাক্তন বিধায়ক গুৰুজ্যোতি দাসৰ লগতে আন আন বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে।

০০০

অসম আৰক্ষীয়ে আজি ৰাজ্যৰ বিভিন্ন অঞ্চলত অভিযান চলাই মাদক দ্ৰব্য সৰবৰাহৰ অভিযোগত কেইবাজনো ব্যক্তিক গ্ৰেপ্তাৰ কৰে। মঙলদৈৰ খাৰুপেটিয়াত গুৱাহাটীৰ পৰা অহা এখন বাছত তালাচী চলাই আৰক্ষীয়ে বুজন পৰিমাণৰ মাদকদ্ৰব্যসহ এজন যুৱকক গ্ৰেপ্তাৰ কৰিবলৈ সমৰ্থ হয়। একেদৰে, নগাঁৱৰ কচুৱাত গোপন তথ্যৰ ভিত্তিত চলোৱা অভিযানত এজন ড্ৰাগছ সৰবৰাহকাৰীক কচুৱা আৰক্ষীয়ে আটক কৰিবলৈ সমৰ্থ হয়। জিলাখনৰ ৰূপহীহাটতো আৰক্ষীয়ে নিচাযুক্ত দ্ৰব্য থকা ৫ টা কনটেনাৰসহ দুজন সৰবৰাহকাৰীক আটক কৰিবলৈ সমৰ্থ হয়। অধিক তথ্য আহৰণ কৰিবলৈ আৰক্ষীয়ে সম্প্ৰতি সৰবৰাহকাৰীকেইজনক জেৰা অব্যাহত ৰাখিছে।

০০০

অসম প্ৰকাশন পৰিষদ আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ উদ্যোগত গুৱাহাটীৰ খানাপাৰাৰ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেল পথাৰত ১২ দিনীয়া বৰ্ণিল কাৰ্যসূচীৰে অনুষ্ঠিত অসম গ্ৰন্থমেলা-২০২৪ ৰ আজি দ্বিতীয় দিন। কালি আনুষ্ঠানিকভাৱে মুকলি কৰা গ্ৰন্থমেলাত আজি গ্ৰন্থ প্ৰকাশৰ দায়বদ্ধতা, প্ৰচাৰ আৰু কৌশল অৱলম্বন বিষয়ক আলোচনা চক্ৰ অনুষ্ঠিত হয়। আলোচনা চক্ৰখন সন্দৰ্ভত উদ্যোক্তাসকলৰ তৰফৰ পৰা অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ সভাপতি ধীৰাজ গোস্বামীয়ে আমাৰ সংবাদদাতা হেমন্ত বৰাক এনেদৰে কয়।

**বাইট**

আজি সন্ধিয়া গ্ৰন্থমেলা প্ৰাঙ্গনত অন্তৰংগ আলাপৰ আয়োজন কৰা হৈছে। ডং সমুদ্ৰগুপ্ত কাশ্যপে পৰিচালনা কৰিবলগীয়া এই অন্তৰংগ আলাপত অধ্যাপক, বিশিষ্ট লেখক, সাংবাদিক হিন্দোল সেনগুপ্ত অতিথি হিচাপে উপস্থিত থাকিব।

০০০

ক্ৰীড়া আৰু যুৱ কল্যাণ মন্ত্ৰী নন্দিতা গাৰ্লোচাই আজি বৰপেটাত ৰামৰায় ষ্টেডিয়ামৰ নিৰ্মাণৰ অগ্ৰগতিৰ বুজ লয়। উল্লেখযোগ্য যে, বিগত ৩৭ বছৰতকৈ অধিক সময় জুৰি নিৰ্মীয়মান অৱস্থাত থকা ষ্টেডিয়ামখন সম্পূৰ্ণ কৰিবলৈ ৰাজ্য চৰকাৰে ক্ৰীড়া নীতিৰ অধীনত শেহতীয়াকৈ ১১ কোটি টকা আৱণ্টন কৰে। ইয়াৰ পাছৰে পৰা দ্ৰুত গতিত নিৰ্মাণকাৰ্য অব্যাহত থকা ষ্টেডিয়ামখন পৰিদৰ্শন কৰি আজি মন্ত্ৰী গাৰ্লোচাই ফেব্ৰুৱাৰী মাহত ষ্টেডিয়ামখনৰ পেভেলীয়ন সম্পূৰ্ণ হৈ উঠিব বুলি আশা প্ৰকাশ কৰে। ষ্টেডিয়ামখনে জিলাখনক ক্ৰীড়াৰ ক্ষেত্ৰত আগবাঢ়ি যোৱাত সহায় কৰিব বুলি মন্ত্ৰীগৰাকীয়ে আশা ব্যক্ত কৰে।

০০০

যোৱা ২৬ নৱেম্বৰৰ সন্ধিয়া ধুবুৰী জিলাৰ ৰাণীগঞ্জ বজাৰৰ এছ বি আই গ্ৰাহক সেৱা কেন্দ্ৰত সংঘটিত হোৱা গুলিচালনাৰ ঘটনা সন্দৰ্ভত ধুবুৰী আৰক্ষীয়ে এজন ব্যক্তিক আটক কৰিছে। জিলাখনৰ বিলাসীপাৰাৰ পাইকান্দাৰা গাওঁত আৰক্ষীৰ সৈতে হোৱা সংঘৰ্ষত অভিযুক্ত নুৰ কালাম নামৰ ব্যক্তিজনক আটক কৰা হয়। আৰক্ষীয়ে আঘাতপ্ৰাপ্ত অভিযুক্তজনক ধুবুৰী চিকিৎসা মহাবিদ্যালয়ত ভৰ্তি কৰিছে বুলি আমাৰ সংবাদদাতাই জানিবলৈ দিছে।

০০০

ধুবুৰী জিলাৰ পাশ্বৱৰ্তী তথা বিটিএডিৰ অন্তৰ্গত পৰ্বতজাৰা বন সংমণ্ডলৰ অধীনস্থ ৰূপসীত থকা সাৰেশ্বৰ বিলত দেশী বিদেশী পৰিভ্ৰমী চৰাই সমাগম ঘটা পৰিলক্ষিত হৈছে। নৱেম্বৰ মাহৰ পৰা চাইবেৰীয়া, জাপান, মংগোলীয়া, লাউচ, আদি দেশৰ পৰা পিনটেল, ৰেড ক্ৰিষ্টেৰ্দ পোচাৰ্ড, গাদোৱাল, স্পতবিল, ব্লেক হেদেদ আইবিছকে ধৰি বিভিন্ন সৰু-ডাঙৰ হাহৰ প্ৰজাতিৰ পৰিভ্ৰমী চৰাই সাৰেশ্বৰ বিলত বিচৰণ কৰা দেখিবলৈ পোৱা গৈছে। পৰিভ্ৰমী চৰাইৰ চোৰাং চিকাৰ ৰোধ কৰাৰ কাৰণে অঞ্চলটোৰ প্ৰকৃতিপ্ৰেমী ৰাইজে পক্ষী সুৰক্ষা আৰু সংৰক্ষণ ভিত্তিত সামুদায়িক কাৰ্যপন্থা হাতত লোৱা দেখিবলৈ পোৱা গৈছে। এই ক্ষেত্ৰত ধুবুৰী আৰু পৰ্বতজোৰা বন বিভাগেও সহযোগ আগবঢ়াইছে।

০০০

উত্তৰ-পূব সীমান্ত ৰে'লৱেই ক'ভিডৰ সময়ছোৱাৰ পৰা বিশেষ ৰে'লগাড়ীৰূপে চলাচল কৰাই থকা ৬০ খন ৰে'লগাড়ীক পুনৰ ইয়াৰ পূৰ্বৰ নম্বৰেৰে চলাচল কৰোৱাৰ সিদ্ধান্ত লৈছে। ইয়াৰ ভিতৰত তিনিচুকীয়া সংমণ্ডলৰ অধীনৰ ৪ জোৰা ৰে'লগাড়ী, লামডিং সংমণ্ডলৰ অধীনৰ ১৯ জোৰা ৰে'লগাড়ী, ৰঙিয়া সংমণ্ডলৰ অধীনৰ ছজোৰা ৰে'লগাড়ী, আলিপুৰদুৱাৰ সংমণ্ডলৰ অধীনৰ ২১ জোৰা আৰু কাটিহাৰ সংমণ্ডলৰ অধীনৰ আছে। ইয়াৰ ভিতৰত শিমলুগুৰি আৰু ডিব্ৰুগড়ৰ মাজত ৭৫৯০৪ আৰু ৭৫৯০৫, মাকুম আৰু ডাঙৰিৰ মাজত চলাচল কৰা ৫৫৬০৩ আৰু ৫৫৬০৪ ৰে'লগাড়ী দুখনো আছে।

০০০

ৰাজ্য চৰকাৰৰ ভাষিক সংখ্যালঘু উন্নয়ন বোৰ্ডৰ উদ্যোগত হোজাইৰ বিবেকানন্দ ক্ৰীড়াঙ্গনত আজি ই ৰিক্সা বিতৰণ কৰা হয়। অনুষ্ঠানত উপস্থিত থাকি অসম ভাষিক সংখ্যালঘু বোৰ্ডৰ অধ্যক্ষ শিলাদিত্য দেৱ, হোজাই জিলা আয়ুক্ত বিদ্যুৎ বিকাশ ভাগৱতীকে ধৰি বিশিষ্ট ব্যক্তিসকলে ক্ষুদ্ৰ উদ্যোগ আৰু উদ্যমিতাই যুৱ সমাজৰ বিকাশ সাধনত সহায় কৰিব বুলি মন্তব্য কৰে। অনুষ্ঠানটোত ৫৪ গৰাকী হিতাধিকাৰীক ই-ৰিক্সা বিতৰণ কৰাৰ লগতে ৩২৮ গৰাকী হিতাধিকাৰীক প্ৰেচাৰ কুকাৰ আৰু ফিল্টাৰ বিতৰণ কৰা হয়।

০০০

তেজপুৰ বিশ্ববিদ্যালয়ৰ দ্বাবিংশতিতম সমাৱৰ্তনত পৌৰহিত্য কৰিবলৈ শোণিতপুৰ জিলাত উপস্থিত হোৱা ৰাজ্যপাল লক্ষ্মন প্ৰসাদ আচাৰ্যই আজি দুপৰীয়া জিলা আয়ুক্তৰ কাৰ্যালয় সন্মিলন কক্ষত এখন পৰ্যালোচনা সভাত অংশগ্ৰহণ কৰে। জিলা উপায়ুক্ত অংকুৰ ভৰালীৰ উপস্থিতিত অনুষ্ঠিত সভাখনত ৰাজ্যপালগৰাকীয়ে জিলা প্ৰশাসনৰ বিভিন্ন বিভাগৰ মুৰব্বীসকলৰ লগত চৰকাৰী উন্নয়নমূলক আঁচনি সমূহৰ ৰূপায়ণ সন্দৰ্ভত আলোচনা কৰে। পৰ্যালোচনা সভাৰ পাছত ৰাজ্যপাল শ্ৰীআচাৰ্যই সাংবাদিকসকলৰ আগত কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ বিভিন্ন আঁচনিসমূহৰ ৰূপায়ণৰ বিষয়ে উল্লেখ কৰি কামৰ অগ্ৰগতি সম্পৰ্কে সন্তোষ প্ৰকাশ কৰে। কালি বিশ্ববিদ্যালয়খনৰ সমাৱৰ্তন কাৰ্যসূচীত অংশগ্ৰহণ কৰাৰ পাছত ৰাজ্যপাল শ্ৰীআচাৰ্যই বিয়লি কন্যাকা বহুমুখী কৃষি পামো পৰিদৰ্শন কৰে।

০০০

ডিব্ৰুগড়ৰ মানকটা চাহবাগিচা খেলপথাৰত আজি অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ ৭৭ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচী গ্ৰহণ কৰা হয়। এই অনুষ্ঠানত মন্ত্ৰী অতুল বৰা আৰু পীযুষ হাজৰিকাই অংশগ্ৰহণ কৰে। অনুষ্ঠানত দিয়া ভাষণত মন্ত্ৰী শ্ৰী বৰাই ভাষা সাহিত্যৰ বিকাশৰ লগতে ৰাজ্যখনৰ উন্নয়নৰ বিভিন্ন দিশত চাহ জনগোষ্ঠীৰ লোকসকলে আগবঢ়োৱা অৱদানৰ বিষয়ে উল্লেখ কৰে। মন্ত্ৰী শ্ৰী হাজৰিকাই অনুষ্ঠানত দিয়া ভাষণত কয় যে বৃহত্তৰ অসমীয়া জাতি গঠন তথা ৰাজ্যখনৰ অৰ্থনীতি নিয়ন্ত্ৰণত চাহ জনগোষ্ঠীৰ লোকসকলৰ অপৰিসীম অৱদান আছে। বিগত ২০০ বছৰ ধৰি ৰাজ্যৰ চাহ উদ্যোগটোৰ এইসকল লোকৰ ত্যাগ আৰু পৰিশ্ৰমৰ বলত বৰ্তি আছে বুলি তেওঁ মন্তব্য কৰে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন চৰকাৰে চাহ জনগোষ্ঠীৰ লোকসকলৰ উন্নয়নৰ বিভিন্ন দিশত চেষ্টা অব্যাহত ৰাখিছে বুলিও তেওঁ মন্তব্য কৰে। আজিৰ অনুষ্ঠানত মন্ত্ৰী বিমল বৰা, ৰূপেশ গোৱালা, বিধায়ক সঞ্জয় কিষাণ, বিনোদ হাজৰিকাৰ লগতে ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত

০০০

ভাৰতে অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে মেলবৰ্নত অনুষ্ঠিত ব'ৰ্ডাৰ গাভাস্কাৰ ট্ৰফী ক্ৰিকেট শৃংখলাৰ চতুৰ্থখন টেষ্টৰ তৃতীয় দিনৰ খেলৰ সামৰণি পৰলৈকে আজি প্ৰথম ইনিংছত ৯ টা উইকেট হেৰুৱাই ৩৫৮ ৰান সংগ্ৰহ কৰে। ভাৰত অষ্ট্ৰেলিয়াৰ প্ৰথম ইনিংছত ৪৭৪ ৰানতকৈ বৰ্তমান ১১৬ ৰানত পিছপৰি আছে। পোহৰ কম হোৱাৰ বাবে আজি খেল নিৰ্ধাৰিত সময়তকৈ কিছু পূৰ্বে সামৰিবলগীয়া হয়। দিনান্তত নীতিশ কুমাৰ ৰেড্ডী ১০৫ আৰু মহম্মদ চিৰাজ ২ ৰান কৰি খেলি আছিল। টেষ্ট ক্ৰিকেটত নীতিশ কুমাৰৰ এয়া হৈছে প্ৰথমটো শতক। ইয়াৰ পূৰ্বে ভাৰতে কালি ৫ উইকেটৰ বিনিময়ত সংগ্ৰহ কৰা ১৬৪ ৰানৰ পৰা প্ৰথম ইনিংছৰ খেল আৰম্ভ কৰে। এই পাঁচখনীয়া শৃংখলাত দুয়োটা দলে বৰ্তমানলৈকে একোখনকৈ খেলত জয়লাভ কৰিছে।

০০০

যোৱা নিশা দেহাৱসান ঘটা কটন মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ তথা অসম বিজ্ঞান প্ৰযুক্তি আৰু পৰিৱেশ পৰিষদৰ প্ৰাক্তন সঞ্চালক অধ্যাপক অনিল গোস্বামীৰ শেষকৃত্য আজি বিয়লি গুৱাহাটীৰ নৱগ্ৰহ শ্মশানত সম্পন্ন কৰা হয়। ইয়াৰ আগেয়ে কটন বিশ্ববিদ্যালয় আৰু গুৱাহাটী তাৰকা গৃহত তেওঁৰ নশ্বৰ দেহত শেষ শ্ৰদ্ধা জ্ঞাপন কৰা হয়।

উল্লেখযোগ্য যে, যোৱা নিশা গুৱাহাটীৰ শিলপুখুৰীৰ বাসগৃহত শেষ নিশ্বাস ত্যাগ কৰা শিক্ষাবিদগৰাকীৰ মৃত্যুৰ সময়ত বয়স হৈছিল ৮৯ বছৰ। ১৯৯১ চনৰ পৰা ১৯৯৩ চনলৈ তেতিয়াৰ কটন মহাবিদ্যালয়ৰ অধ্যক্ষ হিচাপে কাৰ্যনিৰ্বাহ কৰা ড০ গোস্বামী মহাবিদ্যালয়খনৰ পদাৰ্থ বিজ্ঞান বিভাগৰ মুৰব্বী পদতো অধিস্থিত আছিল। ড০ গোস্বামীৰ দূৰদৰ্শী প্ৰচেষ্টাতে কটন মহাবিদ্যালয়ে স্নাতকোত্তৰ শিক্ষাৰ অগ্ৰণী প্ৰতিষ্ঠান হিচাপে গঢ় লৈ উঠিছিল। মহাবিদ্যালয়খনত ৰেডিঅ' এষ্ট্ৰ'নমি, হাই এনাৰ্জি ফিজিক্স, ফেৰাডে পাৰ্ক আদি তেওঁৰ প্ৰচেষ্টাতে গঢ় লৈ উঠিছিল। ১৯৪৯ চনত তেওঁ আউনীআটি সোণৰ পদক লাভ কৰিছিল। ড০ গোস্বামী ৰয়েল এষ্ট্ৰ'নমিকেল ছ'চাইটিৰ অন্যতম সদস্য আছিল। প্ৰাগজ্যোতিষ এমেছাৰ এষ্ট্ৰ'নমি এছ'ছিয়েছনৰ তেওঁ সভাপতিৰ লগতে গুৱাহাটী তাৰকা গৃহৰ পৰিচালনা সমিতিৰ সদস্য আছিল।

০০০

শিৱসাগৰ জিলাৰ জয়সাগৰ কাৰেং তিনিআলিৰ বাসিন্দা তথা তেল আৰু প্ৰাকৃতিক গেছ নিগমৰ অৱসৰপ্ৰাপ্ত বিষয়া হিমকান্ত দাসৰ আজি মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৭৮ বছৰ।

০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে আজি নিশা ৮ বাজি ২ মিনিটত দৃষ্টিপাতত সংবাদমাধ্যমৰ প্ৰচাৰবিমুখ তিনিগৰাকী ব্যক্তিৰ সৈতে আলোচনাৰ এটা বিশেষ অনুষ্ঠান প্ৰচাৰ কৰিব। অনুষ্ঠানত দৃষ্টিবাধিতসকলৰ বাবে নিৰলসভাৱে কাম কৰি অহা সংগঠন কেয়াৰ ইউ-থ্ৰী ছিক্সটি ফাইভ নামৰ স্বেচ্ছাসেৱী সংগঠনটোৰ প্ৰতিষ্ঠাপক ভৃগু বৰঠাকুৰ, সমাজৰ অৱহেলিত তথা অৰ্থনৈতিকভাৱে দুৰ্বল শ্ৰেণীৰ বাবে কাম কৰি অহা সংগঠন হেল্প এইড ফাউণ্ডেচনৰ অধ্যক্ষ অঞ্জুলিনা দেৱ চৌধুৰী আৰু বাটে-পথে অৱহেলিত-অনাদৃত হৈ ঘূৰি ফুৰা কুকুৰ-মেকুৰী প্ৰতিপালন কৰা সংগঠন অভিনৰ প্ৰয়াসৰ অধ্যক্ষ উৰ্মিমালা দাসৰ সৈতে হোৱা কথা-বতৰা শুনিবলৈ পাব। অনুষ্ঠানৰ আঁত ধৰিব ৰাজীৱ লোচন বৰঠাকুৰে। অনুষ্ঠান চলি থকা সময়ত আগ্ৰহী শ্ৰোতাই ০৩৬১-২৬৬২৮৭৬ অথবা ২৬৬২৩২৫ নম্বৰ দুটাত ফোন কৰি তিনিওগৰাকী অতিথিৰ সৈতে কথা পাতিব পাৰিব।

০০০

সমাপ্ত